**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 23-10-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কোকৰাঝাৰ আৰু ছালাকাটি ষ্টেচনৰ মাজৰ বোমা বিস্ফোৰণ সংঘটিত হোৱা ৰে'লপথছোৱা পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অঞ্চলটোত সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে শীৰ্ষ আৰক্ষী বিষয়া আৰু ৰে'লৰে সুৰক্ষা বাহিনীৰ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। শ্ৰীসিঙে ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে ঘটনা সন্দৰ্ভত কিছু তথ্য লাভ কৰা হৈছে আৰু তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে।

উল্লেখযোগ্য যে কোকৰাঝাৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগৰ এই ৰে'লপথছোৱাত যোৱা নিশা এটা শক্তিশালী আই ই ডি বিস্ফোৰণৰ ফলত ৰে'ল পথছোৱাৰ প্ৰায় ৩ ফুট ক্ষতিগ্ৰস্ত হয়। যুদ্ধকালীন ক্ষীপ্ৰতাৰে ৰে'লপথছোৱা মেৰামতিৰ লগতে তন্ন তন্নকৈ সুৰক্ষা ব্যৱস্থা পৰীক্ষাৰ পাছত আজি পুনৰ এই পথেৰে বন্ধ কৰা ৰে'লসমূহৰ চলাচল আৰম্ভ হয়।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত এই ঘটনাত জড়িতৰ সন্দেহত এজন লোকক অসম আৰক্ষীয়ে চিনাক্ত কৰিছে বুলি প্ৰকাশ কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

পূৰ কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীয়েও আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি বড়োলেণ্ডৰ শান্তি সম্প্ৰীতি বিঘ্নিত কৰিব বিচৰা দুৰ্বৃত্তক শীঘ্ৰে চিনাক্ত কৰি উলিয়াবলৈ আহ্বান জনায়।

oooooo

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত, ৰেচম তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত আজি দেবেৰা দলনিত চোম গছৰ পুলি ৰোপণ কাৰ্যসূচী আৰম্ভ কৰা হয়। ৰাজ্য চৰকাৰে যোৱা জুলাইত দেবেৰা দলনি অঞ্চলত অবৈধভাৱে বসবাস কৰা লোকক উচ্চেদ কৰি প্ৰায় ৫০ বিঘা ভূমি দখলমুক্ত কৰিছিল। সেই ভূমিখিনি সংৰক্ষণৰ উদ্দেশ্যে চৰকাৰে ছহেজাৰ ৭০০ টা চোম পুলি ৰোপণৰ পৰিকল্পনা লৈছে। আজি ৩ হাজাৰ টা চোম পুলি ৰোপণ কৰা হয়। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত অংশ লৈ স্থানীয় বিধায়ক মানৱ ডেকাই অনাগত সময়ত এই গছপুলি ৰোপণ কাৰ্যসূচী সেউজ অসম গঢ়াৰ দিশত এটা যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি উল্লেখ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, ৰেচম কৃষি বিষয়াৰ উপৰি গাওঁ আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি-সদস্যসকল উপস্থিত থাকে।

oooooo

ৰাজ্য চৰকাৰৰ পশুধন স্বাস্থ্য আৰু ৰোগ প্ৰতিৰোধ আঁচনিৰ অধীনত পশুধনসমূহৰ সুৰক্ষাৰ বাবে ৰাজ্যজুৰি ষষ্ঠ পৰ্যায়ৰ ছিটা প্ৰদান অভিযান চলি আছে। ধেমাজি জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত গৰু-ম'হৰ ক্ষেত্ৰত হোৱা এবিধ সংক্ৰামক বেমাৰ চবকা প্ৰতিৰোধৰ বাবে আজিৰে পৰা পঞ্জীভুক্ত পশুধনক চবকাৰ প্ৰতিষেধক প্ৰদান কৰা হৈছে। জিলাখনৰ পোহনীয়া গৰুৰ সংখ্যা অনুসৰি অহা দুমাহত মুঠ ২ লাখ ৪৫ হাজাৰ ৮২১ টা প্ৰতিষেধক প্ৰদান কৰা হ'ব।

০০০০০০

ধেমাজি জিলা গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয়ত আজি আই আই টি ৰুৰকিৰ ডিজাইন বিভাগৰ বিশেষজ্ঞসকলৰ সৈতে ধেমাজিৰ মুগা মাছখোৱা নামৰ প্ৰকল্পটোৰ সদস্যসকলৰ এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত হয়। আই আই টি ৰুৰকিৰ সহকাৰী অধ্যাপক ড০ বিভূতি ৰঞ্জন ভট্টাচাৰ্যই নেতৃত্ব দিয়া আলোচনাচক্ৰত ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিতোপন নেওগ, মাছখোৱা আৰু ধেমাজি খণ্ড উন্নয়ন বিষয়া ক্ৰমে পলাশ ৰঞ্জন হাজৰিকা আৰু অশ্লেষা বৰদলৈ আদিয়েও অংশগ্ৰহণ কৰে। আই আই টি ৰুৰকিৰ দলটোৱে মুগাৰ পৰা উৎপাদিত সামগ্ৰীসমূহৰ আৰ্হিৰ মান উন্নীত কৰা আৰু পেকেজিঙৰ ক্ষেত্ৰত বিশেষ প্ৰশিক্ষণ দিয়াত গুৰুত্ব আৰোপ কৰে।

০০০০০০

টংলা নিবাসী অসম গ্ৰামীন বিকাশ বেংকৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজ সেৱক তথা সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ সদস্য মনেশ্বৰ ৰামচিয়াৰীৰ আজি পুৱা ৬৩ বছৰ বয়সত মৃত্যু হয়। ৰামচিয়াৰীৰ মৃত্যুত সদৌ টংলা ৰঙালী বিহু সন্মিলনী, টংলা সাহিত্য সভাকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০

সমাপ্ত